**1.6. অসমৰ নতুন বননীতি (New Forest Policy of Assam) ঃ** 1988 চনৰ 21 মার্চত অসমৰ বিধান সভাত সেইসময়ৰ মুখ্যমন্ত্রীয়ে এক নতুন বননীতি ঘোষণা কৰে। এই নতুন বননীতি অনুসৰি অসমৰ বনসমূহ বেদখলমুক্ত কৰাৰ উদ্দেশ্যে বহুতো পদক্ষেপ লোৱাৰ কথা ঘোষণা কৰে। এই বননীতিৰ জৰিয়তে প্রকৃত স্থায়ী বাসিন্দাই যাতে স্থায়ী বাসিন্দাৰ প্রমাণ পত্র তথা মাটিৰ পট্টা লাভ কৰে আৰু বনাঞ্চলৰ লোক হ'লেও যাতে বেংক আদি সংগঠনৰ পৰা ঋণ গ্রহণ, নগদ টকা জমাকৰণ আদি সুবিধাবোৰ পাব পাৰে, তাৰ ব্যৱস্থা কৰিবলৈ যত্ন কৰা হয়। বনাঞ্চলৰ প্রাকৃতিক পৰিবেশ অক্ষুন্ন ৰখাৰ লগতে ভৱিষ্যতে যাতে অধিক উৎপাদন কৰিব পৰা যায় তাৰ প্রতিটো লক্ষ্য ৰখা হয়। উন্নত আৰু ঠলুৱা জাতৰ গছবোৰে যাতে উচিত সংৰক্ষণ পায় তাৰ প্রতিটো এই বননীতিয়ে লক্ষ্য ৰাখে। 1988 চনৰ নতুন বননীতিৰ মূল বৈশিষ্ট্য হ'ল—

(১) পার্বত্য অঞ্চলত বনাঞ্চল সৃষ্টি আৰু জুমখেতি প্রথা যাতে নাইকীয়া

কৰি পাহাৰবোৰক ক্ষয়ীভৱনৰ পৰা ৰক্ষা কৰিব পৰা যায়, তাৰবাবে জিলা পৰিষদসমূহৰ সক্ৰিয় সহযোগিতা বৃদ্ধি কৰাটো এই বননীতিৰ প্ৰধান বৈশিষ্ট্য।

(২) দ্বিতীয়তে, আমাৰ দেশত যিবিলাক গছ-গছনি ইতিমধ্যে দুলৰ্ভ হৈ আহিছে, সিবিলাকক চিনাক্ত কৰি সিবিলাকৰ পুনৰ গছ পুলি উৎপাদন কৰা, উপযুক্ত সুবিধাজনক স্থানত ৰোপন কৰা আৰু সংৰক্ষণ কৰা।

(৩) থলুৱা জনসাধাৰণৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি হাবি-বননিত উৎপাদিত গছ আৰু বন্য জীৱ-জন্তুবোৰৰ দেশৰ ভিতৰত বা বাহিৰত আমদানি-ৰপ্তানি নিয়ন্ত্ৰণ কৰা।

(৪) অসমত এনে কিছুমান বনাঞ্চল আছে য'ত বিভিন্ন জীৱ-জন্তুৱে নিৰাপদ আশ্ৰয় যেন অনুভৱ কৰে। এনে স্থানবোৰক যাতে অধিক নিৰাপদ আশ্ৰয় বুলি গণ্য কৰি একো-একোখন সংৰক্ষিত অভয়াৰণ্য হিচাপে ঘোষণা কৰিব পাৰি তাক সুনিশ্চিত কৰা।

(৫) দেশত কমেও 33.33 শতাংশ গছ-গছনিৰে আৱৰা বনাঞ্চল যাতে পাব পৰা যায় সেইয়া সুনিৰ্দিষ্ট কৰিবলৈ বনাঞ্চলত বে-আইনিভাৱে গছ কটা বন্ধ কৰা, বনাঞ্চলত থকা অজান-অবুজ পশুধন, চৰাই-চিৰিকতি আদিৰ অন্যায়ভাৱে অপকাৰ কৰা, বধ কৰা আদিবোৰ বন্ধ কৰাৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা।

(৬) ৰাজহুৱা মাটি যেনে- ৰাষ্টাৰ দুয়োপাৰে থকা, ৰাজহুৱা স্থান যেনে- নামঘৰ, স্কুল, মছজিদ আদিত থকা ভূমিসমূহত পৰিকল্পিতভাৱে উন্নত মানদণ্ডৰ গছ পুলি ৰোপন কৰা আৰু সিবিলাকক সমাজৰ উন্নয়নৰ কামত ব্যৱহাৰ কৰা।

(৭) "গছ থাকিলেহে মানুহ থাকিব", "এজোপা গছ কাটিলে আৰু এজোপা ৰুবা" আদি শ্লোগানবোৰ যাতে মানুহৰ মাজত প্ৰচাৰ হয়, মানুহে হৃদয়ত এনে শ্লগানবোৰ আকোৱালি লয় তাৰ ব্যৱস্থা গ্ৰহণ কৰা।

(৮) প্লাইউড আৰু কাঠফলা মিলসমূহকপ্ৰদান কৰা বিভিন্ন ৰেহাইৰ বিষয়ে নতুনকৈ ভাৱি চোৱা।

(৯) কাঠৰ ব্যৱসায়ৰ ক্ষেত্ৰত থলুৱা ব্যৱসায়ী বিশেষকৈ জনজাতীয়লোকক বিশেষ সুবিধা প্ৰদান কৰা।

(১০)বনজ সম্পদৰ ওপৰত ভিত্তি কৰি যিবোৰ উদ্যোগ-প্ৰতিষ্ঠান গঢ়ি উঠিছে সিবিলাকত কৰ্ম সংস্থাপনৰ সম্ভাৱনীয়তা কিমান? এই উদ্যোগসমূহৰ জাতীয় জীৱনলৈ কিবা বৰঙনি আছেনে নাই, বন্যভূমি সংৰক্ষণৰ ক্ষেত্ৰত এনে উদ্যোগৰ প্ৰান্তিক প্ৰয়োজনীয়তা কিমান, এনে উদ্যোগৰ মূখ্য কাৰ্য্যালয় কেনে স্থানত হোৱাটো বাঞ্চনীয় ইত্যাদি দিশবোৰ নতুনকৈ নিৰ্দ্ধাৰণ কৰা।

(১১)সংৰক্ষিত বনাঞ্চলৰ ওচৰত বসবাস কৰা লোকক কি কি দিশত বিশেষ ৰেহাই প্ৰদান কৰাতো কল্যাণমূলক হ'ব তাক চিনাক্তকৰণ কৰা।

(১২)কাঠফলা কলবোৰ আৰু এই ব্যৱসায়টো যাতে সমবায় খণ্ডত সঠিক পথত দ্ৰুত উন্নয়নমূলক উদ্যোগ হিচাপে গঢ় লৈ উঠিছে তাৰ ব্যৱস্থা কৰা।

(১৩)বননি ভাগৰ অন্তৰ্গত , বালি, শিল, বোকামাটি, মাছ, বেত, খেৰণি আদি মহলবোৰ যাতে থলুৱা ব্যক্তিৰ হাতত পৰে আৰু সমাজৰ উন্নয়নৰ বাবে থলুৱা উপাদান হিচাপে স্বীকৃতি লাভ কৰে তাৰ ব্যৱস্থা গ্ৰহণ কৰা।

(১৪)স্থানীয় নিৱনুৱা যুৱক-যুৱতীক স্থায়ী বা অস্থায়ী নিযুক্তিবোৰত নিযুক্তি প্ৰদান কৰা।

(১৫)সচাঁ অৰ্থত নিৱনুৱা সমস্যা সমাধান কৰাটোও নতুন বননীতিৰ মূখ্য উদ্দেশ্য।

(১৬)বনাঞ্চলৰ ওপৰত অত্যাচাৰ চলোৱা চোৰ আৰু অবৈধ কাৰ্য্যৰে বনাঞ্চল ধ্বংস কৰিবলৈ যোৱা লোকক উপযুক্ত শাস্তি দিয়াটো বন বিভাগৰ প্ৰধান দায়িত্ব।